# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 08-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। আধুনিকীকৰণ আৰু নগৰীকৰণে সাংস্কৃতিক বান্ধোনক বিচ্ছিন্ন কৰাৰ পৰিবৰ্তে ভাৰতীয় সংস্কৃতিক শক্তিশালী কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা আৰম্ভ হ'ব।

৩। ভাৰতে বিশ্বৰ বিভিন্ন ঐতিহ্যক্ষেত্ৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

৪। দেশৰ মুঠ প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ তুলনাত বৰ্তমান ১ দশমিক ৫১ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। *আৰু*

৫। ভাৰতে **সাগৰবন্ধু** অভিযানৰ অধীনত শ্ৰীলংকালৈ ৩০০ মেট্ৰিক টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে।

০০০০০

আধুনিকীকৰণ আৰু নগৰীকৰণে সাংস্কৃতিক বান্ধোনক বিচ্ছিন্ন কৰাৰ পৰিবৰ্তে ভাৰতীয় সংস্কৃতিক শক্তিশালী কৰিছে। ভাৰতৰ **বিকাশ ভী, বিৰাসত ভী** মূলমন্ত্ৰই এই প্ৰতিশ্ৰুতিকে সুনিশ্চিত কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয়, যে কোনো পৰম্পৰা, শিল্পী, অথবা সম্প্ৰদায় যাতে চৰকাৰৰ সমৰ্থনৰ পৰা বঞ্চিত নহয়, সেয়া সুনিশ্চিত কৰা হৈছে।

নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে থকা আন্তঃচৰকাৰী সমিতিৰ ২০ সংখ্যক সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত কালি প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতৰ বাবে ঐতিহ্য কেতিয়াও নষ্টাল'জিয়াৰ বিষয় হ'ব নোৱাৰে, বৰঞ্চ এয়া হৈছে জ্ঞান, সৃষ্টিশীলতা আৰু সামাজিক প্ৰমূল্যৰ অবিৰত ধাৰাৰ প্ৰতীকস্বৰূপ। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে সংস্কৃতি কেৱল কীৰ্তিচিহ্ন বা পাণ্ডুলিপিৰে সমৃদ্ধ নহয় বৰং এয়া উৎসৱ, পৰম্পৰা, শিল্প, কলা আদিৰ দৰে মানুহৰ দৈনন্দিন অভিব্যক্তিৰ সৈতে জড়িত আৰু এই কথা অনুধাৱন কৰিয়েই ভাৰতৰ সভ্যতাজোৰা যাত্ৰা গঢ়ি উঠিছে। ইউনেস্ক'ই এনে বিমূৰ্ত ঐতিহ্যসমূহ সংৰক্ষণৰ ক্ষেত্ৰত এটা গোলকীয় পৰিকাঠামো সৃষ্টিৰ জৰিয়তে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এনে বহু সম্পদ ইউনেস্ক'ৰ তালিকাত অন্তৰ্ভুক্ত হোৱাকলৈ ভাৰতে গৌৰৱবোধ কৰে।

উল্লেখযোগ্য যে ভাৰতে এইবাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে থকা আন্তঃচৰকাৰী সমিতিৰ ২০ সংখ্যক সন্মিলনৰ আয়োজন কৰিছে। আজিৰে পৰা ১৩ ডিচেম্বৰলৈ নতুন দিল্লীৰ লালকিল্লাত এই সন্মিলন অনুষ্ঠিত হ'ব। ভাৰতে এই বছৰ ইউনেস্ক'ৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্য তালিকাত অন্তৰ্ভুক্তিৰ বাবে পোহৰৰ উৎসৱ দীপাৱলীক মনোনীত কৰিছে।

০০০০০

ভাৰত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ আবাসভূমি হোৱা স্বত্বেও আমাৰ দেশে বিশ্বৰ বিভিন্ন ঐতিহ্যক্ষেত্ৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। নতুন দিল্লীত অনুষ্ঠিত বিংশ সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা শীৰ্ষক অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে এইদৰে প্ৰকাশ কৰে। এই অনুষ্ঠানতে বৈদেশিক মন্ত্ৰীগৰাকীয়ে বিমূৰ্ত ঐহিত্যক সুৰক্ষিত কৰাৰ বাবে লোৱা ভাৰতৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। পৰম্পৰা, ভাষা আৰু উৎসৱসমূহ সকলোৰে আৰু ইয়াক সকলোৰে ৰক্ষণাবেক্ষণ দি অহাৰ লগতে প্ৰতিটো প্ৰজন্মই সমৃদ্ধ কৰি অহাৰ বাবে ই সংস্কৃতিৰ আটাইতকৈ গণতান্ত্ৰিক দিশ হৈ পৰিছে বুলিও মন্ত্ৰী ড০ শংকৰে প্ৰকাশ কৰে। বৈদেশিক মন্ত্ৰীগৰাকীয়ে ভাৰতৰ দুখন চহৰ হায়দৰাবাদ আৰু লক্ষ্ণৌক ইউনেস্ক'ৰ গেষ্ট্ৰ'নমি চহৰৰ তালিকাত স্বীকৃতি দিয়া কাৰ্যত সন্তোষ প্ৰকাশ কৰে। বিমূৰ্ত সংস্কৃতিসমূহক ৰক্ষণাবেক্ষণ দি অহা বাবেও শ্ৰীজয়শংকৰে ইউনেস্ক'ৰ ভূয়সী প্ৰশংসা কৰে।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে এই অধিৱেশনে জীৱন্ত পৰম্পৰাসমূহক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত ভাৰতৰ দায়বদ্ধতাক প্ৰতিপন্ন কৰে। তেওঁ কয়, যে এই পৰম্পৰাসমূহৰ সুৰক্ষাৰ দিশটো অতি প্ৰয়োজনীয়, কিয়নো এইসমূহৰ জৰিয়তে আমাৰ ভৱিষ্যত প্ৰজন্মই বিশ্বৰ পৰম্পৰাগত জ্ঞানসমূহ আহৰণ কৰিব পাৰিব। আজিৰে পৰা হ'বলগীয়া এই অধিৱেশনৰ উদ্বোধনী অনুষ্ঠান কালি নতুন দিল্লীত অনুষ্ঠিত হয়। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, ইউনেস্ক'ৰ সঞ্চালক প্ৰধান খালেদ-ইল্ এন্নি আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০

লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰমৰ** ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা আৰম্ভ হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভাত এই আলোচনা আৰম্ভ কৰিব। আলোচনাৰ বাবে ১০ ঘণ্টা সময় দিয়া হৈছে। এই সন্দৰ্ভত পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সাংবাদিকৰ আগত কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত অনুষ্ঠিত সৰ্বদলীয় বৈঠকতে ৮ ডিচেম্বৰত **বন্দে মাতৰম** আৰু ৯ ডিচেম্বৰত ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

০০০০০

দেশৰ মুঠ প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪৬ হাজাৰ কোটি টকাৰ পৰা বৰ্তমান ১ দশমিক ৫১ লাখ কোটি টকালৈ বৃদ্ধি হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। তেওঁ কয়, যে প্ৰতিৰক্ষা খণ্ডত এসময়ত আমদানিৰ ওপৰত নিৰ্ভৰশীল দেশখনে এতিয়া থলুৱাভাৱে নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানী কৰাৰ সামৰ্থ আহৰণ কৰিছে। বিগত দশকত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বহনক্ষণ প্ৰয়াসৰ বাবে এয়া সম্ভৱ হৈছে বুলি শ্ৰীসিঙে মন্তব্য কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে অৰুণাচল প্ৰদেশৰ সীমান্ত পথ সংস্থাৰ ৩২টা কৌশলগতভাৱে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লাডাখত আয়োজিত এটা অনুষ্ঠানৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বিভিন্ন ৰাজ্যৰ বাবে উদ্বোধন কৰা ১২৫টা এনে আন্তঃগাঁথনি প্ৰকল্পৰ ভিতৰত অৰুণাচল প্ৰদেশৰ প্ৰকল্পকেইটাও অন্যতম। এই উপলক্ষে কালি পশ্চিম চিয়াং জিলাৰ আলোত সীমান্ত পথ কাৰ্যবাহিনীৰ এটা বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

ভাৰতে **সাগৰবন্ধু** অভিযানৰ অধীনত শ্ৰীলংকালৈ ৩০০ মেট্ৰিক টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। তামিলনাডু চৰকাৰে প্ৰেৰণ কৰা এহেজাৰ টন সামগ্ৰীৰ অংশ হিচাপে এই সাহায্য সামগ্ৰীখিনি প্ৰেৰণ কৰা হৈছে। আজি পুৱা আৰু ৭০০ টন সামগ্ৰীৰে আন এখন জাহাজ ট্ৰিংকুমালেত উপস্থিত হৈছে। এই সাহায্য সামগ্ৰীসমূহৰ ভিতৰত দাইল আৰু চেনিকে ধৰি যাৱতীয় খাদ্য সামগ্ৰী আছে। ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝায়েই শ্ৰীলংকাৰ বাণিজ্য আৰু খাদ্য সুৰক্ষা মন্ত্ৰী ৱসন্তা চমাৰাসিংঘেক সাহায্য সামগ্ৰীখিনি প্ৰদান কৰে। দ্বীপ ৰাষ্ট্ৰখনত শেহতীয়াকৈ ডিট্‌ৱাহ ঘূৰ্ণীবতাহৰ ফলত বিস্তৰ ক্ষতি হোৱাৰ উপৰি ৬১৮ জন লোকে প্ৰাণ হেৰুৱায়। দেশখনে সম্প্ৰতি এই দুৰ্যোগৰ পৰা উদ্ধাৰ লাভ বাবে আন্তঃৰাষ্ট্ৰীয় সমৰ্থন লাভ কৰিছে।

০০০০০

২০২৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতিৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কালি গুৱাহাটীত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ৰাজ্যখনৰ সকলো জিলা নিৰ্বাচনী বিষয়া আৰু প্ৰথম পৰ্যায়ৰ পৰীক্ষণ তত্বাৱধায়কসকলে অংশগ্ৰহণ কৰে। নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ উপ-নিৰ্বাচনী আয়ুক্ত মনীষ গাৰ্গ আৰু অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ অধ্যক্ষতাত অনুষ্ঠিত এই কৰ্মশালাত নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰিবলৈ ই ভি এম পৰিচালনাৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মসমূহৰ বিষয়ে আলোচনা কৰা হয়। কৰ্মশালাত হায়দৰাবাদৰ ইলেক্ট্ৰনিক্‌ছ কৰ্পোৰেচন অব ইণ্ডিয়া লিমিটেডৰ কাৰিকৰী বিশেষজ্ঞসকলে ই ভি এম আৰু ভিভিপেটৰ বিভিন্ন দিশ সামৰি পৰামৰ্শ আগবঢ়ায়। অসমৰৰ সকলো জিলাতে অহা ১১ ডিচেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব বুলি ৰাজ্যখনৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই কালি এটা প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰে।

০০০০০

পাকিস্তানী কৰ্তৃপক্ষই পুনৰ কুৱেট্টা আৰু বেলুচিস্তানত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়াৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি সুৰক্ষাজনিত কাৰণত বেলুচিস্তানত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে যোৱা নৱেম্বৰত কৰ্তৃপক্ষই কুৱেট্টা আৰু চামানৰ কেইবাখনো জিলাত মোবাইল ইণ্টাৰনেট সেৱা বন্ধ কৰিছিল। পাকিস্তানী কৰ্তৃপক্ষৰ এই সিদ্ধান্তক শিক্ষাৰ্থী, ব্যৱসায়ী, সাংবাদিক আৰু মানৱাধিকাৰ সংস্থাসমূহে সমালোচনা কৰিছে বুলি দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছে।

০০০০০

সমাপ্ত